**জনসংযোগ, অসম** **প্ৰেছ বাৰ্তা নংঃ ২১১**

## আত্মসহায়ক গোটৰ পৰা জাতীয় পতাকা ক্ৰয় কৰাৰ বাবে মুখ্যমন্ত্ৰীৰ আহ্বান

**দিছপুৰ, ১০ আগষ্ট ঃ** দেশৰ স্বাধীনতাৰ ৭৫ সংখ্যক বৰ্ষপূৰ্তি উপলক্ষে অসমতো 'হৰ ঘৰ তিৰংগা' কাৰ্যসূচী উপযুক্ত কাৰ্যসূচীৰে পালন কৰিবলৈ যো-জা কৰা হৈছে। এই উদ্দেশ্য মনত লৈ অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান আৰু ৰাষ্ট্ৰীয় নগৰীয়া জীৱিকা অভিযানৰ অধীনৰ আত্মসহায়ক গোটসমূহে নিৰলসভাৱে জাতীয় পতাকা প্ৰস্তুতৰ কামত ব্ৰতী হৈ পৰিছে। সৰ্বসাধাৰণ ৰাইজৰ সুবিধাৰ্থে ৰাইজে সহজে জাতীয় পতাকা ক্ৰয় কৰি এই কাৰ্যসূচী সফল কৰিব পৰাকৈ ৰাজ্যৰ ঠায়ে ঠায়ে বিক্ৰী কেন্দ্ৰ খোলা হৈছে।

এই আত্মসহায়ক গোটসমূহক অনুপ্ৰাণিত কৰাৰ উদ্দেশ্যে সকলো বিভাগক আত্মসহায়ক গোটৰ পৰা জাতীয় পতাকা ক্ৰয় কৰাৰ বাবে চৰকাৰী কৰ্মচাৰী, ব্যৱসায়িক প্ৰতিষ্ঠান, বেংক আৰু ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানসমূহক উৎসাহিত কৰিবলৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আহ্বান জনাইছে।

**সু.মি.ক/প্ৰ.কু.দ -১০/০৮/২০২২**